তোমালোকৰ সন্তানসকলৰ বয়স সাত বছৰ হ'লে সিহঁতক নামাজৰ শিক্ষা দিয়া, আৰু দহ বছৰ বয়সতো নামাজ নপঢ়িলে সিহঁতক প্ৰহাৰ কৰা। লগতে বিছনা পৃথক কৰি দিয়া।

আমৰ বিন শ্বুআইবে তেওঁৰ পিতৃ (শ্বুআইব)ৰ পৰা আৰু তেওঁ শ্বুআইবৰ দাদা (আব্দুল্লাহ বিন আমৰ)ৰ পৰা বৰ্ণনা কৰিছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ সন্তানসকলৰ বয়স সাত বছৰ হ'লে সিহঁতক নামাজৰ শিক্ষা দিয়া, আৰু দহ বছৰ
বয়সতো নামাজ নপঢ়িলে সিহঁতক প্ৰহাৰ কৰা। লগতে বিছনা পৃথক কৰি দিয়া।"
[হাছান] [(আবু দাঊদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, সন্তান, ল'ৰাই হওক বা ছোৱালী সাত বছৰ বয়স হোৱাৰ লগে লগে পিতৃয়ে সিহঁতক নামাজ পঢ়াৰ নিৰ্দেশ দিব লাগে, লগতে নামাজ আদায় কৰাৰ যাৱতীয় প্ৰয়োজনীয় বিষয়সমূহ শিকাব লাগে। আনহাতে দহ বছৰ বয়স হোৱাৰ পিছত নামাজত অৱহেলা কৰিলে বেত্ৰাঘাত কৰিব লাগে, আৰু বিছনা পৃথক কৰিব লাগে।

http://www.sunnah.global/hadeeth/as/show/5272